# 1 (Sem–5/FYUGP) ASS 46 MN/(A)

## 2025

## ASSAMESE

( Minor )

Paper : ASS0500604

( আধুনিক অসমীয়া গীতি-সাহিত্য )

( Set—A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলত দিয়া প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) আনন্দিৰাম দাসৰ গীতবোৰক সাধাৰণতে কি গীত বুলি কোৱা হয় ?

(খ) 'বিলত তিৰেবিৰায়' গীতটিৰ গীতিকাৰজনৰ নাম কি ?

(গ) 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই' গীতটি প্ৰথমতে কাৰ কণ্ঠত বাণীবদ্ধ কৰা হৈছিল ?

(ঘ) ভূপেন হাজৰিকাৰ এখন গীতৰ পুথিৰ নাম লিখা।

(ঙ) আধুনিক অসমীয়া ভাষাত প্ৰথম গীতৰ পুথিখন কোনে লিখিছিল ?

(চ) বনগীতৰ স্ৰষ্টা কোন ?

(ছ) ‘শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল’ পুথিখনৰ লেখকৰ নাম লিখা।

(জ) ‘সোণৰ খাৰু নেলাগে মোক’ গীতটিত সোণৰ খাৰুৰ বিপৰীতে কি বিচাৰিছে ?

২। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) গীতি-সাহিত্য কাক বোলে, লিখা।

(খ) গীতৰ শব্দচয়নত থাকিবলগীয়া দুটা গুণ উল্লেখ কৰা।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ দুটি বৈশিষ্ট্য লিখা।

(ঘ) ‘লুইতৰ পাৰৰে আমি ডেকা ল’ৰা’ গীতটিৰ বাদে জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন দুটি দেশপ্ৰেমমূলক গীতৰ প্ৰত্যেকটোৰে প্ৰথম শাৰীটো লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা দুখন গীতৰ পুথিৰ নাম লিখা।

(চ) ‘বিৰহী’ নামৰ গীতৰ পুথিখন কোনে ৰচনা কৰিছিল ? এইখন কোন চনত প্ৰকাশ পাইছিল ?

(ছ) তফজ্জুল আলিৰ দুখন গীতৰ পুথিৰ নাম লিখা।

(জ) হীৰেণ ভট্টাচাৰ্যৰ ‘আমোলমোল শেৱালিৰ গোন্ধ’ গীতটিৰ কেন্দ্ৰীয় ভাব কি ? ইয়াত কি ঋতুৰ কথা ফুটি উঠিছে ?





(ঝ) ভূপেন হাজৰিকাৰ কিমান চনত জন্ম হৈছিল ? তেওঁ কোনখন চলচ্চিত্ৰৰ সংগীত পৰিচালনাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা পাইছিল ?

(ঞ) আধুনিক অসমীয়া সংগীতৰ বিষয়ে বহল আলোচনা থকা এখন গ্ৰন্থ আৰু সেইখনৰ লেখকজনৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমুকৈ আলোচনা কৰা : ৫×৪=২০

(ক) গীতৰ ভাষাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(খ) গীত আৰু কবিতাৰ মিল-অমিল দেখুৱাই এটি টোকা লিখা।

(গ) ‘আজি ফাগুনৰ পুৱা বেলাতে’ গীতটিত প্ৰকাশ পোৱা প্ৰকৃতিৰ চিত্ৰখনৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) গীতিকাৰ আনন্দিৰাম দাসৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) ‘মোৰ কবিতাৰ ছন্দ লাগি’ গীতটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটা টোকা লিখা।

(চ) ‘সোণৰ খাৰু নেলাগে মোক’ গীতটিত প্ৰকাশ পোৱা গাভৰুগৰাকীৰ বিবাহ-সম্পৰ্কীয় চিন্তাৰ বিষয়ে এটি টোকা লিখা।

(ছ) ‘হঞেৱা জেতুকীবাই’ গীতৰ জেতুকীবাই চৰিত্ৰটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(জ) কমলানন্দ ভট্টাচাৰ্যৰ গীতৰ বিষয়ে এটি টোকা লিখা।

৪। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দুটাৰ বহলাই আলোচনা কৰা : ১০×২=২০

(ক) গীতি-সাহিত্যৰ লক্ষণ, গুণ, স্বৰূপ, ভাষা আৰু প্ৰকাশভংগীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা তফজ্জুল আলিৰ সময়লৈকে অসমীয়া গীতি-সাহিত্যৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

(গ) তোমাৰ পাঠ্যক্ৰমৰ ফুলক লৈ লিখা গীত তিনিটাৰ এটা তুলনামূলক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) নাৰীৰ জীৱন তোমাৰ পাঠ্য গীতসমূহত কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) অসমীয়া গীতি-সাহিত্যত দেশপ্ৰেমৰ চিত্ৰ কেনেদৰে অংকন কৰা হৈছে, তোমাৰ পাঠ্য গীতৰ আধাৰত আলোচনা কৰা।

★★★

1 (Sem–5/FYUGP) ASS 45 MN/(B)

# 2025

## ASSAMESE

( Minor )

Paper : ASS0500504

( অসমীয়া নাটক )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) শঙ্কৰদেৱ ৰচিত প্ৰথমখন নাটকৰ নাম লিখা।

(খ) ইন্দ্ৰৰ পত্নীৰ নাম কি আছিল?

(গ) এখন আধুনিক অসমীয়া নাটকৰ নাম লিখা।

(ঘ) 'হনুমান সাগৰ বান্ধা চাওঁ' নাটকখনত কি নাটকীয় শৈলী ব্যৱহাৰ কৰা হৈছে?

(ঙ) 'জন্মযাত্ৰা' নাটখন কোনে ৰচনা কৰিছিল?

(চ) অংকীয়া নাটত কেইটা অংক থাকে?

(ছ) প্ৰাচীন অসমৰ এখন সংস্কৃত নাটকৰ নাম লিখা।

(জ) 'কাৰেঙৰ লিগিৰী' নাটৰ মুখ্য চৰিত্ৰ এটিৰ নাম লিখা।

২। *এটা* বা *দুটা* বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) নাটকৰ দুটা সংজ্ঞা প্ৰদান কৰা।

(খ) 'ৰাম-নৱমী' নাটৰ দুটা চৰিত্ৰৰ নাম উল্লেখ কৰা।

(গ) অৰুণ শৰ্মাৰ দুখন নাটকৰ নাম লিখা।

(ঘ) অসমৰ দুটা লোকনাট্যধৰ্মী অনুষ্ঠানৰ নাম উল্লেখ কৰা।

(ঙ) নাটকৰ বাবে প্ৰয়োজনীয় দুটা উপাদানৰ নাম লিখা।

(চ) 'ঝুমুৰা'ৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) এবচাৰ্ডধৰ্মী অসমীয়া নাটকৰ দুটা বৈশিষ্ট্য লিখা।

(জ) 'পাৰিজাত হৰণ' নাটত কাৰ মাজত যুদ্ধ হৈছিল?

(ঝ) সুন্দৰ কোঁৱৰে বিয়া কৰোৱা যুৱতীগৰাকীৰ নাম কি আছিল? বিয়াৰ পুৰ্বে সুন্দৰ কোঁৱৰৰ কাৰ সতে প্ৰণয় আছিল?

(ঞ) অংকীয়া নাটৰ দুটা বিশিষ্টতা লিখা।





৩। আলোচনা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) প্ৰাক্-স্বাধীনতা যুগৰ অসমীয়া নাটকৰ বিষয়ে বিশ্লেষণ কৰা।

(খ) মাধৱদেৱৰ নাটকত প্ৰকাশিত কৃষ্ণ চৰিত্ৰটি আলোচনা কৰা।

(গ) অংকীয়া নাটত লোকনাট্যানুষ্ঠানৰ প্ৰভাৱ কেনেধৰণৰ, বুজাই লিখা।

(ঘ) ভ্ৰাম্যমাণ নাটৰ ইতিহাস আৰু বিৱৰ্তন সম্পৰ্কত আলোচনা কৰা।

(ঙ) 'কাৰেঙৰ লিগিৰী' নাটকত নাট্যকাৰৰ ৰোমান্টিকতা কিদৰে প্ৰকাশি উঠিছে, উদ্ধৃতিসহ বিশ্লেষণ কৰা।

(চ) 'ৰাম-নৱমী' নাটকৰ চৰিত্ৰ-চিত্ৰণ ৰীতিৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(ছ) 'হনুমান সাগৰ বান্ধা চাওঁ' নাটকখনত নাৰী জীৱনৰ কি সমস্যা উদ্ভাসিত হৈছে, বিশ্লেষণ কৰা।

(জ) 'পাৰিজাত হৰণ' নাটত শ্ৰীকৃষ্ণৰ প্ৰেম-কাতৰতা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) 'জন্মযাত্ৰা' নাটৰ গীতসমূহৰ সৌন্দৰ্য বিচাৰ কৰি বিষয়বস্তু সম্পৰ্কত আলোচনা এটি আগবঢ়োৱা।

(খ) 'ৰাম-নৱমী' নাটকত সংস্কৃত আৰু পাশ্চাত্য নাটকৰ প্ৰভাৱৰ বিষয়ে প্ৰবন্ধ এটি যুগুত কৰা।

(গ) 'কাৰেঙৰ লিগিৰী' নাটখনত জ্যোতিপ্ৰসাদ আগৰৱালাই মধ্যযুগীয় অৰ্থাৎ আহোম যুগৰ পটভূমিত কেনেদৰে কাহিনীভাগ গঢ়ি তুলিছে, আলোচনা কৰা।

(ঘ) 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে প্ৰবন্ধ এটি যুগুত কৰা।

(ঙ) অসমীয়া নাট্য-সাহিত্যত 'আহাৰ' নাটকৰ স্থান নিৰ্ণয় কৰি বিশ্লেষণ এটি আগবঢ়োৱা।

★★★